# Meeting between External Affairs Minister and Foreign Minister of Maldives

August 13, 2020

# বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু মালদ্বীপৰ বৈদেশিক মন্ত্ৰীৰ মাজত হোৱা বৈঠক

আগষ্ট 13, 2020

1. ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড এচ. জয়শংকৰ (EAM) আৰু মালদ্বীপৰ বৈদেশিক মন্ত্ৰী আব্দুল্লা শ্বাহিদৰ মাজত ভিডিঅ' কনফাৰেন্স যোগে 13 আগষ্ট 2020 তাৰিখে এক বৈঠক অনুষ্ঠিত হয়।

2. এই আলোচনা ভাৰত আৰু মালদ্বীপৰ মাজৰ উচ্চ-পৰ্যায়ৰ বিনিময়ৰ এক অংশ আছিল| এই বৈঠকে দুই দেশৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্কৰ এক খতিয়ান লোৱাৰ লগতে COVID-19 মহামাৰী আৰু দ্বি-পাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত কিছু উল্লেখনীয় ঘোষণা কৰাৰ সুযোগ দিয়ে। মন্ত্ৰীদ্বয়ে ভাৰত আৰু মালদ্বীপৰ মাজৰ সম্পৰ্কৰ বিষয়ে পৰ্যালোচনা কৰে আৰু এই বিষয়ে সন্তুষ্টি প্ৰকাশ কৰে যে COVID-19 মহামাৰীয়ে দুই দেশৰ মাজৰ দ্বি-পাক্ষিক সমন্বয়তাৰ গতি মন্থৰ কৰিবলৈ সক্ষম হোৱা নাই। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে মালদ্বীপৰ নাগৰিক আৰু চৰকাৰলৈ ভাৰতৰ নাগৰিকসকল আৰু ভাৰত চৰকাৰৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰে আৰু ৰাষ্ট্ৰপতি চলিহৰ চৰকাৰক সু-নিশ্চিত কৰে যে ভাৰত ইয়াৰ চুবুৰীয়া সাগৰীয় বন্ধু দেশখনৰ কঠিন সময়ত সদায় কাষত থাকিব।

3. ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে এই বিষয়ে সন্তুষ্টি প্ৰকাশ কৰে যে ভাৰত আৰু মালদ্বীপে অতি সুহৃদতাৰে কাম কৰি COVID-19 মহামাৰীৰ সৈতে যুঁজ দিছে আৰু কয় যে মালদ্বীপ হৈছে ভাৰতে চুবুৰীয়া দেশসমূহলৈ আগবঢ়োৱা COVID-19 সম্পৰ্কীয় সাহায্যৰ এক বৃহত্তম হিতাধিকাৰী। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে এই কথা পুনৰ নিশ্চিত কৰে যে মালদ্বীপক এই মহামাৰীৰ ফলত দেখা দিয়া স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ যথাসম্ভৱ সহায় আগবঢ়াবলৈ ভাৰত সদায় দায়বদ্ধ। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু শ্বাহিদে কয় যে সমৃদ্ধিৰ বাবে দুই দেশৰ মাজত এক সু-সংযোগ অতি গুৰুত্বপূৰ্ণ।

4. এই ডিজিটেল ভিডিঅ কনফাৰেন্সত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে নিম্নোক্ত ঘোষণাসমূহ কৰে:

(i) বৃহত্তৰ মালী সংযোগ প্ৰকল্প (GMCP):

মালদ্বীপ চৰকাৰৰ এক অনুৰোধৰ প্ৰতি সহাঁৰি জনাই, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰত চৰকাৰৰ 100 আমেৰিকান ডলাৰৰ এক আৰ্থিক অনুদান আৰু 400 মিলিয়ন আমেৰিকান ডলাৰৰ এক নতুন ঋণৰ জৰিয়তে মালদ্বীপত বৃহত্তৰ মালী সংযোগ প্ৰকল্প ৰূপায়ণৰ সিদ্ধান্ত ঘোষণা কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে কয় যে মালীক চুবুৰীয়া দ্বীপসমূহ ৰিলিঙ্গিলি, গাল্হীফাহু (য'ত ভাৰতীয় সামৰিক সীমাৰ অধীনত এটা বন্দৰ নিৰ্মাণ কৰি থকা হৈছে) আৰু থিলাফুসীৰ (নতুন উদ্যোগীক এলেকা) সৈতে সংযোগ কৰা বৃহত্তম অসামৰিক আন্ত:গাঁঠনি প্ৰকল্প য'ত 6.7 কি.মি. দৈৰ্ঘৰ এখন দলং তথা বান্ধ নিৰ্মাণ কৰা হ'ব। এবাৰ সম্পূৰ্ণ হৈ যোৱাৰ পিছত এই বিশিষ্ট প্ৰকল্পই ৪টা দ্বীপৰ মাজৰ সংযোগ স্থাপন কৰিব, যিয়ে মালী অঞ্চলত অৰ্থনৈতিক কাৰ্য-কলাপৰ উন্নতি কৰিব, কৰ্মসংস্থাপন সৃষ্টি আৰু সমগ্ৰ নগৰ উন্নয়নক উৎসাহিত কৰিব।

(ii) ভাৰত আৰু মালদ্বীপৰ মাজত প্ৰত্যক্ষ মালবাহী ফেৰী সেৱা আৰম্ভ: ভাৰতৰ প্ৰধানমন্ত্ৰী জুন, 2019-ৰ মজলিছত ভাৰত আৰু মালদ্বীপৰ মাজত ফেৰী সেৱা আৰম্ভ কৰাৰ ঘোষণাক সুঁৱৰি, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ঘোষণা কৰে যে এক প্ৰত্যক্ষ মালবাহী ফেৰী সেৱা অতি সোনকালেই আৰম্ভ কৰা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে কয় যে দুই দেশৰ মাজৰ দ্বি-পাক্ষিক বাণিজ্য আৰু সংযোগৰ বিকাশত আৰু দুই দেশৰ মাজত পৰৱৰ্তী সময়ত অৰ্থনৈতিক অংশীদাৰিত্বৰ বিকাশত এই ফেৰী সেৱাই বিশেষ গুৰুত্ব বহন কৰিব। এই মালবাহী ফেৰী সেৱাই সাগৰীয় সংযোগ উন্নত কৰাৰ লগতে মালদ্বীপৰ আমদানিকাৰক আৰু ভাৰতৰ ৰপ্তানিকাৰকসকলক সামগ্ৰীৰ যোগানত আগতীয়াকৈ আন্দাজ লগোৱাত সহায় কৰিব। এই সেৱাই সামগ্ৰীৰ পৰিবহনৰ ব্যয় আৰু ব্যৱসায়ীসকলৰ সময়ৰ খৰচ হ্ৰাস কৰাত সহায় কৰিব।

(iii) 'এয়াৰ ট্ৰেভেল বাবল'ৰ গঠন: ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ভাৰত আৰু মালদ্বীপৰ মাজত দুয়ো দেশৰ মাজত লোকসকলৰ কৰ্মসংস্থাপন, পৰ্যটন, জৰুৰীকালীন চিকিৎসা আদিৰ বাবে অহা-যোৱা সম্ভৱ কৰিবৰ বাবে এক 'এয়াৰ ট্ৰেভেল বাবল'ৰ গঠন কৰাৰ ঘোষণা কৰে। আমাৰ বিশেষ সম্পৰ্কৰ প্ৰতি ধ্যান ৰাখি, মালদ্বীপ হৈছে এনে প্ৰথমখন চুবুৰীয়া দেশ যাৰ সৈতে এয়াৰ বাবল সৃষ্টি কৰা হৈছে। এই এয়াৰ বাবলে মালদ্বীপত পৰ্যটকৰ আগমণ সম্ভৱ কৰি ৰাজহ সংগ্ৰহ কৰাৰ প্ৰতি ভাৰতৰ সমৰ্থনকে সূচায়। দুয়োখন দেশতে স্বাস্থ্য সম্বন্ধীয় নিয়মাৱলীসমূহ যথাযথভাৱে পালন কৰা হ'ব। এই এয়াৰ বাবলৰ অধীনত প্ৰথমখন বিমান 18 আগষ্টৰ দিনা আৰম্ভ হ'ব বুলি আশা কৰা হৈছে।

(iv) মালদ্বীপলৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান: দ্বি-পাক্ষিক বাণিজ্য চুক্তি 1981ৰ অধীনত ভাৰতে হাতত লোৱা দায়বদ্ধতাক পূৰণ কৰি, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে 2020-21 বৰ্ষৰ মালদ্বীপলৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰিবলৈ চৰ্তসমূহৰ নবীকৰণ কৰাৰ সিদ্ধান্ত সদৰি কৰে। এই সামগ্ৰীসমূহৰ ভিতৰত আলু, পিঁয়াজ, চাউল, ঘেঁহু, আটা, চেনী, ডাইল আৰু কণীৰ লগতে নদীৰ বালি আৰু শিল আদিও সন্নিবিষ্ট আছে। এই চৰ্তসমূহে খাদ্য সুৰক্ষা আৰু অত্যাৱশ্যকীয় নিৰ্মাণ সামগ্ৰীসমূহৰ যোগান সু-নিশ্চিত কৰে আৰু সেইবাবে, মালদ্বীপত এই সামগ্ৰীসমূহৰ যোগানৰ নিশ্চয়তা আৰু মূল্যৰ স্থিৰতা প্ৰদান কৰে।

COVID-19 মহামাৰীৰ সময়ছোৱাত, যেতিয়া সামগ্ৰীৰ ৰপ্তানিত ব্যাঘাত জন্মে, ভাৰতে মালদ্বীপলৈ অত্যাৱশ্যকীয় সামগ্ৰী, খাদ্য আৰু নিৰ্মাণ সামগ্ৰী অবিৰতভাৱে যোগান ধৰে। মে' 2020ত, ভাৰতে 580 টন অত্যাৱশ্যকীয় খাদ্য মিছন সাগৰৰ জৰিয়তে উপহাৰস্বৰূপেও প্ৰদান কৰিছিল।

(v) জৰুৰীকালীন আৰ্থিক সহযোগিতাৰ সম্প্ৰসাৰণ: COVID-19 মহামাৰীৰ ফলস্বৰূপে মালদ্বীপে সন্মুখীন হোৱা অৰ্থনৈতিক প্ৰত্যাহ্বান আৰু ভাৰতৰ মালদ্বীপক এই অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ কৰাৰ দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ঘোষণা কৰে যে ভাৰত চৰকাৰে মালদ্বীপ চৰকাৰলৈ এক নৰম ঋণ প্ৰবন্ধনৰ জৰিয়তে জৰুৰীকালীন আৰ্থিক সহযোগিতাৰ সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত লৈছে। এই ঋণ প্ৰবন্ধনৰ প্ৰকাৰসমূহ দুয়োটা পক্ষই একেলগে চুড়ান্ত কৰিছে।

5. বৈদেশিক মন্ত্ৰী শ্বাহিদে ভাৰত চৰকাৰে মালদ্বীপৰ চৰকাৰৰ উন্নয়নমূলক প্ৰয়োজনসমূহ পূৰ কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহক ভুয়সী প্ৰশংসা কৰে। তেওঁ উল্লেখ কৰে যে বৃহত্তৰ মালী সংযোগ প্ৰকল্প ভাৰত-মালদ্বীপ বন্ধুত্বত এক নতুন কৃতিত্বৰূপে দেখা দিব আৰু মালদ্বীপৰ অৰ্থনৈতিক আৰু উদ্যোগীক পৰিৱৰ্তনৰ সুত্ৰপাত ঘটাব। বৈদেশিক মন্ত্ৰী শ্বাহিদে ভাৰতে আগবঢ়োৱা সময়োচিত আৰ্থিক সাহায্যৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ আৰু কয় যে এই আৰ্থিক সাহায্যই COVID-19 ৰ ক্ষতিকাৰী প্ৰভাৱসমূহৰ সৈতে সংগ্ৰাম কৰিবলগীয়া হোৱা মালদ্বীপৰ অৰ্থনীতিৰ পুনৰুত্থানত সহায় কৰিব।

6. বৈদেশিক মন্ত্ৰী শ্বাহিদে এক 'এয়াৰ বাবল' গঠন কৰাৰ আৰু ভাৰত আৰু মালদ্বীপৰ মাজত এক প্ৰত্যক্ষ মালবাহী ফেৰী সেৱা আৰম্ভ কৰাৰ এই সিদ্ধান্তক আদৰণি জনায়। এই দুয়োটা পদক্ষেপে পৰৱৰ্তী সময়ত দুই দেশৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে দুয়োখন দেশৰ জনসাধাৰণৰ মাজত সুহৃদতাৰ সৃষ্টি কৰি আমাৰ বন্ধুত্বক প্ৰগতিশীল কৰি তুলিব।

7. প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু ৰাষ্ট্ৰপতি ইব্ৰাহিম মোহম্মদ চলিহৰ নেতৃত্বত, 2018 চনৰ নৱেম্বৰ মাহৰ পৰা পৰস্পৰৰ বিশ্বাস আৰু একক আগ্ৰহৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা ভাৰত আৰু মালদ্বীপৰ বন্ধুত্বই এক শক্তিশালী আৰু উচ্চাভিলাষী পৰ্যায়ত উপনীত হৈছে। ভাৰতৰ বৈদেশিক নীতি 'নেইবাৰহুড ফাৰ্ষ্ট' আৰু মালদ্বীপৰ 'ইণ্ডিয়া ফাৰ্ষ্ট' নীতিয়ে পৰস্পৰে পৰস্পৰৰ পৰিপূৰক আৰু বৰ্তমান এই সম্বন্ধই এক লক্ষনীয় ফল ধাৰণ কৰিছে| প্ৰধানমন্ত্ৰী মোডী আৰু ৰাষ্ট্ৰপতি চলিহে ইজনে আনজনক বিগত ডেৰ বছৰত 4 বাৰ সাক্ষাত কৰিছে। ৰাষ্ট্ৰপতি চলিহেও, COVID-19 ৰ পৰিপ্ৰেক্ষিতত, এই বছৰৰ শেষৰ ফালে ভাৰত ভ্ৰমণ কৰিব।

8. ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড এচ. জয়শংকৰ আৰু মালদ্বীপৰ বৈদেশিক মন্ত্ৰী আব্দুল্লা শ্বাহিদে দ্বি-পাক্ষিক প্ৰকল্পসমূহৰ ৰূপায়ণ আৰু বিভিন্ন পদক্ষেপসমূহৰ অগ্ৰগতিৰ সন্তুষ্টি প্ৰকাশ কৰে, বিশেষকৈ 400 মিলিয়ন আমেৰিকান ডলাৰ ঋণৰ পৰিমাণৰ অধীনত গ্ৰহণ কৰা পদক্ষেপসমূহৰ ক্ষেত্ৰত। দুয়োগৰাকী নেতাই এই দ্বি-পাক্ষিক সম্পৰ্ক অধিক গাঢ় কৰি তুলিবৰ বাবে ভৱিষ্যতেও একেলগে কাম কৰি যোৱাৰ প্ৰতি সন্মতি জনায়।

**নতুন দিল্লী**
**আগষ্ট 13, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.